**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-12-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। আন্তৰ্জাতিক মানৱ অধিকাৰ দিৱস উপলক্ষে নতুন দিল্লীত আয়োজিত ৰাষ্ট্ৰীয় সন্মিলন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে উদ্বোধন কৰিছে।

২। সংসদৰ দুয়ো সদনৰ কাম-কাজ আজিও বিভিন্ন বিষয়ক লৈ সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশৰ বাবে বাৰম্বাৰ স্থগিত ৰখা হৈছে।

৩। ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা ৰবীন্দ্ৰ নাথ মাহাতো বিনা প্ৰতিদ্বন্দ্বিতাৰে দ্বিতীয় বাৰৰ বাবে বিধানসভাৰ অধ্যক্ষ নিৰ্বাচিত হৈছে।

৪। প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ এম কৃষ্ণাৰ দেহাৱসান ঘটিছে। ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু ৰাজ্যসভাই তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰিছে।

আৰু

৫। ওড়িশা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছ্‌ৰ যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত ভাৰতৰ মানৱ চৌধুৰীয়ে সংযুক্ত আৰৱ আমিৰ শ্বাহীৰ মহম্মদ মুনাৱৰক পৰাজিত কৰিছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে ভাৰতে দৰিদ্ৰতা দূৰীকৰণ, ক্ষুধা নিৰ্মূল আৰু যুৱক-যুৱতীসকলক সম-সুযোগ প্ৰদান কৰা দিশত নীতি ৰূপায়ণৰ জৰিয়তে সমগ্ৰ বিশ্বৰ সন্মুখতে এটা উজ্জ্বল উদাহৰণ দাঙি ধৰিছে। নতুন দিল্লীত আজি মানৱ অধিকাৰ দিৱস উপলক্ষে ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগে আয়োজন কৰা অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে এনেদৰে কয়। শ্ৰীমতী মুৰ্মুৱে ন্যায়পালিকা আৰু মুখ্য অংশীদাৰীসকলকে ধৰি ৰাষ্ট্ৰীয় মানৱাধিকাৰ আয়োগ আৰু অন্যান্য আয়োগসমূহক তেওঁলোকৰ প্ৰচেষ্টাৰ বাবে শলাগ লয়। এই দিৱস উদযাপনৰ সৈতে সংগতি ৰাখি মানসিক উৎকৰ্ষ সাধন - শ্ৰেণীকোঠাৰ পৰা কৰ্মক্ষেত্ৰলৈকে মানসিক চাপ নিয়ন্ত্ৰণ সন্দৰ্ভত আজি এখন দিনজোৰা ৰাষ্ট্ৰীয় সন্মিলনৰ আয়োজন কৰা হৈছে।

০০০০০

দেশৰ এটা আগশাৰীৰ ব্যৱসায়িক গোষ্ঠীৰ উৎকোচ প্ৰদান অভিযোগক কেন্দ্ৰ কৰি সৃষ্টি হোৱা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে আজিও লোকসভা আৰু ৰাজ্যসভাৰ কাম-কাজ ব্যাহত হৈছে। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নিম্ন সদনৰ কাম-কাজ দিনৰ ১২ বজালৈকে স্থগিত ৰাখিছে। অধ্যক্ষ বিৰলাই বিৰোধী পক্ষৰ আচৰণ সদনৰ কাম-কাজ পৰিচালনাৰ বাবে অনুকূল নহয় বুলি কৰা মন্তব্যক লৈ বিৰোধী কংগ্ৰেছ আৰু ডি এম কেৰ সদস্যসকলে অধিক হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে আৰু অধ্যক্ষই সদনৰ কাম-কাজ স্থগিত ৰাখিবলৈ বাধ্য হয়। লোকসভা পুনৰ মিলিত হোৱাৰ পাছত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে কংগ্ৰেছ দলৰ সাংসদসকলৰ আচৰণক লৈ গভীৰ অসন্তুষ্টি ব্যক্ত কৰে। তেওঁ দলটোৰ সদস্যসকলে সদনৰ কাৰ্যক্ৰমণিকাত ব্যাঘাত জন্মোৱা বুলি অভিযোগ তুলি

তেওঁলোকক ক্ষমা প্ৰাৰ্থনা কৰিবলৈ দাবী জনায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এটা সংস্থাৰ সৈতে কংগ্ৰেছ দলৰ কেইবাগৰাকীও নেতাৰ ঘনিষ্ঠতা থকা বুলি অভিযোগ তুলি তেওঁ দলটোক এইক্ষেত্ৰত স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনায়।

ৰাজ্যসভাতো আজি আম আদমী পাৰ্টীৰ সাংসদ সঞ্জয় সিঙে দিল্লীৰ আইন-শৃংখলা পৰিস্থিতি সম্পৰ্কত কেতবোৰ বিষয় উত্থাপনৰ চেষ্টা কৰে। সভাপতি জগদীপ ধনখড়ে সিঙৰ অনুৰোধৰ প্ৰতি কৰ্ণপাত নকৰাত বিৰোধী সদস্যসকলে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰে আৰু ফলত উচ্চ সদনৰ কাম-কাজো দিনৰ ১২ বজালৈকে স্থগিত ৰাখিবলীয়া হয়। সদন পুনৰ মিলিত হোৱাত ৰাজ্যসভাতো অনুৰূপ পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰ আগতে সদনে প্ৰাক্তন বৈদেশিক পৰিক্ৰমা মন্ত্ৰী তথা কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী এছ এম কৃষ্ণাৰ বিয়োগত শোক প্ৰকাশ কৰি তেওঁৰ আত্মাৰ সদগতিৰ বাবে মৌন প্ৰাৰ্থনা জনায়।

ooooooo

ঝাৰখণ্ডৰ ক্ষমতাত থকা ঝাৰখণ্ড মুক্তি মৰ্চাৰ নেতা ৰবীন্দ্ৰ নাথ মাহাতো বিনা প্ৰতিদ্বন্দ্বিতাৰে দ্বিতীয় বাৰৰ বাবে বিধানসভাৰ অধ্যক্ষ নিৰ্বাচিত হৈছে। মুখ্যমন্ত্ৰী হেমন্ত ছোৰেণে অধ্যক্ষ নিৰ্বাচিত হোৱাৰ বাবে শ্ৰী মাহাতোক অভিনন্দন জনায়। ৰবীন্দ্ৰ নাথ মাহাতোৱে নিৰপেক্ষভাৱে সদনৰ কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰী ছোৰেণে আশা প্ৰকাশ কৰে।

ঝাৰখণ্ড বিধানসভাত কাইলৈ ৰাজ্যপাল সন্তোষ কুমাৰ গংগৱাৰে ভাষণ দিব আৰু তাৰ পাছতে চলিত বিত্তীয় বৰ্ষৰ বাবে সদনত দ্বিতীয়খন পৰিপূৰক বাজেট দাখিল কৰা হ'ব।

ooooooooo

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে সংসদৰ কাম-কাজ সুচাৰুৰূপে চলি থকাত গুৰুত্ব দিছে। তেওঁ সাংসদসকলক সদনৰ বিতৰ্ক আৰু আলোচনাত মনোযোগ দিবলৈ আহ্বান জনায়। সংসদৰ শেহতীয়া পৰিস্থিতি সন্দৰ্ভত মন্ত্ৰী ৰিজিজুৱে কয়, যে বিশেষকৈ সমাজবাদী পাৰ্টী, তৃণমূল কংগ্ৰেছ আৰু কংগ্ৰেছৰ সাংসদসকলে সদনত অৰ্থপূৰ্ণ বিতৰ্ক হোৱাত বাধা দি আহিছে। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে সংসদীয় গণতন্ত্ৰত বিশ্বাস নকৰে বুলিও তেওঁক সমালোচনা কৰে। শ্ৰী ৰিজিজুৱে সদনত কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক গৃহীত কৰাৰ বাবে চৰকাৰ বদ্ধপৰিকৰ বুলি উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে এইক্ষেত্ৰত সংসদত সকলো বিৰোধী দলৰ সহযোগিতা কামনা কৰে।

ooooooooo

বিৰোধী মৰ্চা 'ইণ্ডিয়া'ৰ সাংসদসকলে আজি সংসদ ভৱন চৌহদত ভাৰতৰ এটা আগশাৰীৰ ব্যৱসায়ী গোটৰ উৎকোচ প্ৰদানৰ অভিযোগৰ বিৰুদ্ধে বিক্ষোভ প্ৰদৰ্শন কৰে। এই বিক্ষোভত কংগ্ৰেছ, ডি এম কে, জে এম এম আৰু বাওঁ দলসমূহৰ সাংসদসকলে অংশগ্ৰহণ কৰে। লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী, কংগ্ৰেছ সাংসদ প্ৰিয়ংকা গান্ধী, জে এম এমৰ মহুৱা মাঝি, ডি এম কেৰ কানিমোঝি কৰুণানিধিকে ধৰি অন্যান্য আগশাৰীৰ বিৰোধী নেতাই বিক্ষোভত অংশগ্ৰহণ কৰে।

ooooooooo

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অধীনৰ ২০২৪ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফল আজি ঘোষণা কৰা হৈছে। এই পৰীক্ষাৰ ফলাফল ইউ পি এছ চিৰ ৱেব ছাইটত প্ৰকাশিত হৈছে বুলি এখন চৰকাৰী বিজ্ঞপ্তিত কোৱা হৈছে।

০০০০০০০০০

ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি অসমৰ বিভিন্ন স্থানত ছহিদ দিৱস পালন কৰা হৈছে।

শোণিতপুৰ জিলাৰ জামুগুৰিহাটত আজি ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত ছহিদ দিৱসত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ১৫৯ টা ছহিদ পৰিয়ালক সম্বৰ্ধনা জনায়। ড° শৰ্মাই ছহিদৰ আদৰ্শৰে সকলোকে আগুৱাই যোৱাত গুৰুত্ব আৰোপ কৰে। তেওঁ অসমক আত্মনিৰ্ভৰশীল হৈ উঠাত অংশগ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনায়। এই অনুষ্ঠানত মুখ্যমন্ত্ৰী অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী তথা সাংসদে অংশগ্ৰহণ কৰে।

অসম আন্দোলনৰ অন্যতম উদ্যোক্তা সদৌ অসম ছাত্ৰ সন্থাই আজি গোৱালপাৰা জিলাৰ বগুৰান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ছহিদ দিৱস পালন কৰিছে। উল্লেখযোগ্য যে ১৯৭৯ চনৰ আজিৰ দিনটোতে অসম আন্দোলনত খৰ্গেশ্বৰ তালুকদাৰে প্ৰাণ বিসৰ্জন দিছিল। অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদলৈ শ্ৰদ্ধা জ্ঞাপনৰ উদ্দেশ্যে অসমৰ সকলো জিলা, মহকুমা, আঞ্চলিক ছাত্ৰ সন্থাকে ধৰি আন সংগঠনসমূহেও আজি ছহিদ দিৱস পালন কৰিছে।

০০০০০০০০

কৰ্ণাটকৰ প্ৰাক্তন মুখ্যমন্ত্ৰী আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী এছ এম কৃষ্ণৰ আজি পুৱা বেংগালুৰুৰ সদাশিৱ নগৰত থকা নিজা বাসগৃহত দেহাৱসান ঘটে। দীঘলীয়া ৰাজনৈতিক জীৱনত কৃষ্ণই কেইবাটাও গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৯৯ চনৰ পৰা ২০০৪ চনলৈকে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা কৃষ্ণই ২০০৯ চনৰ পৰা ২০১২ চনলৈ দেশৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিল। ২০০৪ ৰ পৰা ২০০৮ চনলৈ তেওঁ মহাৰাষ্ট্ৰৰ অষ্টাদশ ৰাজ্যপাল হিচাপেও দায়িত্ব নিৰ্বাহ কৰিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কৃষ্ণৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেওঁক উন্নয়নৰ প্ৰতি সমৰ্পিত নেতা বুলি অভিহিত কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছ এম কৃষ্ণৰ বিয়োগত শোক প্ৰকাশ কৰি কয়, যে প্ৰয়াত নেতাগৰাকীয়ে দেশৰ আন্তঃগাঁথনি উন্নয়নৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে এগৰাকী অধ্যয়নপুষ্ট আৰু চিন্তাশীল ব্যক্তি আছিল।

০০০০০০০০

দেশৰ ৫১ টা কেন্দ্ৰত কাইলৈ স্মাৰ্ট ইণ্ডিয়া হেকাথনৰ সপ্তম সংস্কৰণৰ ফাইনেল আৰম্ভ হ'ব। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে ভাৰ্চুৱেল ব্যৱস্থাৰে হেকাথনৰ উদ্বোধন কৰিব। ফাইনেলত এহেজাৰ ৩০০ ৰো অধিক ছাত্ৰ-ছাত্ৰীৰ দলে অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে ফাইনেলত অংশগ্ৰহণকাৰীসকলক উদ্দেশ্যি ভাষণ দিব। স্মাৰ্ট ইণ্ডিয়া হেকাথন হৈছে – এটা ৰাষ্ট্ৰজোৰা পদক্ষেপ, যাৰ জৰিয়তে দৈনন্দিন জীৱনত সন্মুখীন হোৱা কিছু গুৰুতৰ সমস্যা সমাধানৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক এখন মঞ্চ প্ৰদান কৰা হৈছে। এই বছৰ ৫৪ টা মন্ত্ৰালয়, বিভাগ, ৰাজ্য চৰকাৰ আৰু উদ্যোগে পৰা ২৪৫ খন সমস্যা পত্ৰ দাখিল কৰিছে। আনুষ্ঠানিক পৰ্যায়ত ৮৬ হাজাৰতকৈও অধিক দলে অংশগ্ৰহণ কৰাৰ লগতে প্ৰায় ৪৯ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ দলক ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰতিযোগিতাৰ বাবে এই প্ৰতিষ্ঠানসমূহৰ দ্বাৰা নিৰ্বাচন কৰা হৈছে।

০০০০০০০০০

শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়াকে অহা সপ্তাহত তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। মন্ত্ৰীসভাৰ মুখপাত্ৰ নালিন্দা জায়াটিচ্ছাই আজি সাংবাদিকৰ আগত এই কথা সদৰি কৰে। তেওঁ কয়, যে এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হ'ব।

oooooooooo

ওড়িশা মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাত আজি পুৰুষৰ ছিংগল্‌ছৰ যোগ্যতা নিৰ্ণয়কাৰী ৰাউণ্ডত ভাৰতৰ শ্বাটলাৰ মানৱ চৌধুৰীয়ে সংযুক্ত আৰৱ আমিৰ শ্বাহীৰ মহম্মদ মুনাৱৰক ২১-১৬, ২১-১২ গেমত পৰাজিত কৰে। পুৰুষৰ ছিংগলছৰ আন এখন খেলত ভাৰতৰ ৰাজেশ শ্ৰীকাৰ চীনৰ লিউ য়ু জুৱানৰ বিৰুদ্ধে ১১-২১, ২১-২৩ গেমত পৰাজিত হোৱাৰ বিপৰীতে প্ৰতিযোগিতাৰ আন এখন খেলত গগন বালিয়ান চীনৰ ৰেং জি জুনৰ বিৰুদ্ধে ১২-২১, ১১-২১ গেমত পৰাজিত হয়। প্ৰতিযোগিতাখনৰ ১৫ ডিচেম্বৰত সামৰণি পৰিব।

ooooo

সমাপ্ত